# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 04-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয় যে, সমবায় আৰ্হিৰ জৰিয়তে জনসাধাৰণৰ উন্নয়নৰ সমান্তৰালকৈ অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰিব পৰা যায়।

২। কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰেল বিভাগক কোনো পৰিস্থিতিতে ব্যক্তিগতকৰণ কৰা নহ'ব বুলি নিশ্চিত কৰিছে।

৩। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ সমাগত শীতকালীন অধিবেশনত ৱাক্‌ফ সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব বুলি সদৰি কৰিছে।

৪। নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, বিগত বৰ্ষত দেশৰ নৱীকৰণযোগ্য শক্তি খণ্ডত নিয়োগৰ সুবিধাই ১০ লাখ অতিক্ৰম কৰিছে। ***আৰু***

৫। শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয় যে, সমবায় আৰ্হিটোৱে হৈছে বিশ্বৰ একমাত্ৰ আৰ্হি যাৰ জৰিয়তে জনসাধাৰণৰ উন্নয়নৰ সমান্তৰালকৈ অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰিব পৰা যায়। মন্ত্ৰীগৰাকীয়ে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত আহমেদাবাদ জিলা সমবায় বেংকৰ শতবাৰ্ষিকী অনুষ্ঠানত ভাষণ দি এইদৰে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জনকল্যাণ অবিহনে দেশৰ অৰ্থনৈতিক বিকাশ সম্ভৱ নহয় বুলিও লগতে উল্লেখ কৰে। তেওঁ আৰু লগতে তৃণমূল পৰ্যায়ৰ উন্নয়নৰ বাবে এ ডি চি বেংক আৰু আমুল আদি সংস্থাসমূহৰ অৱদানক প্ৰশংসা কৰে। ভৱিষ্যতে সমবায় খণ্ডৰ ভূমিকা যথেষ্ট বৃদ্ধি পাব বুলিও তেওঁ আস্থা প্ৰকাশ কৰে। গৃহ ৰাজ্য ভ্ৰমণলৈ অহা মন্ত্ৰীগৰাকীয়ে আজি গান্ধীনগৰত বহুতো অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ooo

কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰেল বিভাগক কোনো পৰিস্থিতিতে ব্যক্তিগতকৰণ কৰা নহ'ব বুলি নিশ্চিত কৰিছে। মন্ত্ৰীগৰাকীয়ে নাচিকত আয়োজিত ৰেল সুৰক্ষা বাহিনীৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি কুছকাৱাজ প্ৰত্যক্ষ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ কয় যে, দেশৰ মধ্যবিত্ত তথা দৰিদ্ৰসকলৰ বাবে ৰেল হৈছে যাতায়তৰ আহিলা। সেয়েহে চৰকাৰে গৱেষণা, নিৰাপত্তা তথা মানৱ সম্পদৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ

কৰাৰ জৰিয়তে সংশ্লিষ্ট বিভাগত প্ৰয়োজনীয় বিনিয়োগ কৰিছে। কিছুসংখ্যক ৰাজনৈতিক দলে ৰেল বিভাগৰ ব্যক্তিগতকৰণ সন্দৰ্ভত উৰা বাতৰি বিয়পোৱা বুলি উল্লেখ কৰি তেঁও দৃঢ়তাৰে কয় যে, ৰেল বিভাগৰ ব্যক্তিগতকৰণ কৰা নহ'ব।

০০০

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কয় যে, চৰকাৰ মুছলমান সম্প্ৰদায়ৰ প্ৰান্তীয় লোকসকলৰ অধিকাৰ সুৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সংসদৰ সমাগত শীতকালীন অধিৱেশনত যুটীয়া সংসদীয় সমিতিৰ সকলো পৰামৰ্শ বিবেচনাৰ জৰিয়তে ৱাক্‌ফ সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব বুলি তেওঁ সদৰি কৰে। নাগপুৰত এখন সংবাদমেলত তেওঁ এইকথা প্ৰকাশ কৰে। এই আইনৰ অন্তৰালৰ উদ্দেশ্য বাখ্যা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, মুষ্টিমেয় সংখ্যক মুছলমান লোকে ৱাক্‌ফৰ সম্পদসমূহ অধিকাৰ কৰি ৰাখিছে। ইয়াৰ ফলত সম্প্ৰদায়টোৰ অন্যান্য প্ৰান্তীয় লোকসকল এই সম্পদসমূহৰ জৰিয়তে উপকৃত হোৱাৰ পৰা বঞ্চিত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই আইন বলবৎ কৰাৰ জৰিয়তে ভূমিসমূহ চৰকাৰী নিয়ন্ত্ৰণৰ অধীনত সুৰক্ষিত হৈ থকাৰ পথ মুকলি হ'ব। এই পদক্ষেপৰ ফলত এনেধৰণৰ লোকসকলে ন্যায় লাভ কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। মণিপুৰৰ হিংসা সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যখনত থলুৱা জনগোষ্ঠীৰ মাজত হিংসাৰ সৃষ্টি হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে এই পৰিস্থিতি সৃষ্টি হোৱা নাই। কেন্দ্ৰীয় চৰকাৰে এই সমস্যাৰ সমাধান বিচাৰি উলিয়াব বুলি উল্লেখ কৰি শ্ৰীৰিজিজুৱে কয় যে, এই হিংসা ৰোধ কৰিবলৈ সামৰিক বাহিনী শেষ সমাধান নহয়। ইয়াৰ পূৰ্বে ৰিজুজুৱে নাগপুৰত ড০ বাবা চাহেব আম্বেদকাৰৰ কেন্দ্ৰীয় স্মাৰক দীক্ষা ভূমিত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ লগতে মুম্বাইৰ সত্যভূমি আৰু নাগপুৰৰ দীক্ষাভূমিকে ধৰি মহাৰাষ্ট্ৰৰ বৌদ্ধ ধৰ্মীয় স্থানসমূহৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰে।

০০০

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, বিগত বৰ্ষত দেশৰ নৱীকৰণযোগ্য শক্তি খণ্ডত নিয়োগৰ সুবিধাই ১০ লাখ অতিক্ৰম কৰিছে। আন্তৰাষ্ট্ৰীয় নৱীকৰণযোগ্য শক্তি সংস্থাই আই আৰ ই এন এ সংস্থাটোৰ ২০২৪ বৰ্ষৰ বাৰ্ষিক সমীক্ষাত প্ৰকাশ কৰা তথ্যৰ উদ্ধৃতিৰে মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে এই খণ্ডটোত কাম কৰি থকা গোলকীয় কৰ্মশক্তি এক কোটি ৬২ লাখ পৰ্যন্ত বৃদ্ধি হৈছে। এই বৃদ্ধিত ভাৰতে উল্লেখযোগ্য অৰিহণা যোগোৱা বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। জলশক্তি খণ্ডত প্ৰায় ৪ লাখ ৫৩ হাজাৰ  চাকৰি সৃষ্টি হৈছে, যি গোলকীয় পৰিমাণৰ ২০ শতাংশ। ইয়াৰ পাছত সৌৰ ফটোৱ'লটেক খণ্ডত ৩ লাখতকৈ অধিক নিয়োগৰ সুবিধা সৃষ্টি হৈছে। তদুপৰি বায়ু শক্তি, তৰল জৈৱ ইন্ধনকে ধৰি কেইবাটাও খণ্ডই এই ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি যোগাইছে। মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰজেন অভিযান, পি এম কুসুম, পি এম সূৰ্য্যঘৰকে ধৰি কেইবাখনো আঁচনিৰ জৰিয়তে এয়া সম্ভৱ হৈ উঠা বুলি প্ৰকাশ কৰে। এই প্ৰচেষ্টাৰ জৰিয়তে নৱীকৰণযোগ্য শক্তি ব্যৱহাৰ বৃদ্ধি  হোৱাৰ লগতে উল্লেখযোগ্যভাৱে নিয়োগৰ সুবিধা সৃষ্টি হোৱা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে, চৰকাৰ দেশক গোলকীয় নিৰ্মাণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে প্ৰতিৰক্ষা উদ্যোগক ৰপ্তানিমুখী কৰি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত  ভাৰতীয় প্ৰতিৰক্ষা

নিৰ্মাণ সংস্থাসমূহৰ সমাজ - এছ আই ডি এমৰ সপ্তম বাৰ্ষিক সাধাৰণ সভাত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে, ২০২৩-২৪ বৰ্ষত ঘৰুৱা প্ৰতিৰক্ষা উৎপাদনে ১ লাখ ২৭ হাজাৰ কোটি টকাৰ অভিলেখ সংখ্যক পৰিমাণ অতিক্ৰম কৰিছে। মন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ প্ৰতিৰক্ষা তথা স্বাধীন সংস্থাসমূহৰ লগতে শেহতীয়া প্ৰযুক্তিসমূহ ভৱিষ্যতৰ উপযোগী কৰি ৰখাৰ বাবে বিনিয়োগ বৃদ্ধিৰ আহ্বান জনায়। উত্তৰ প্ৰদেশ আৰু তামিলনাডুত প্ৰতিৰক্ষা উদ্যোগ নিৰ্মাণকে ধৰি সংশ্লিষ্ট খণ্ডত আত্মনিৰ্ভৰতাৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে ফাৰ্মসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ এচ আই ডি এমলৈ আহ্বান জনায়। তেওঁ এই সমূহক তৃণমূল পৰ্যায়ৰ সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰৰ সৈতে নীবিড় সম্পৰ্ক বজাই ৰাখি কাম কৰাৰ লগতে প্ৰতিৰক্ষা নিৰ্মাণৰ ক্ষেত্ৰত এই উদ্যোগসমূহক বৃহৎ ভূমিকা পালন কৰাত সহায় কৰিবলৈ আহ্বান জনায়।

০০০

ভাৰতীয় বায়ু সেনা বাহিনীয়ে অহা ৬ আৰু ৮ অক্টোবৰত চেন্নাইত ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি গ্ৰুপ কেপ্টেইন সুপনদীপ সিঙে কয় যে, এই উপলক্ষে মেৰিণা বিচ্চত ১ ঘণ্টা ৫৩ মিনিটযোৰা এটা বিশেষ উড়ণ প্ৰদৰ্শন কৰা হ'ব। ৮ অক্টোবৰত প্ৰতিষ্ঠা দিৱসৰ মূল অনুষ্ঠান আয়োজিত হ'ব। এই উপলক্ষে তামবৰমৰ বায়ু সেনা বাহিনীৰ ঘাটিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। তেওঁ লগতে কয় যে, বায়ু সেনা বাহিনীয়ে এইবেলি অনুষ্ঠানত বিপুলসংখ্যক দৰ্শকৰ সমাগমৰ জৰিয়তে পূৰ্ব লিমকা বুক অফ ৰেকৰ্ডছৰ অভিলেখ ভংগ কৰাৰ আশা কৰিছে। ১০ ৰ পৰা ১২ লাখ দৰ্শকে এই উড়ণ প্ৰদৰ্শনী প্ৰত্যক্ষ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে অহা ১৫ আৰু ১৬ অক্টোবৰত ইছলামাবাদত অনুষ্ঠিত হবলগীয়া এছচ চি অ' শীৰ্ষ সন্মিলনত ভাৰতীয় দলটোক প্ৰতিনিধিত্ব কৰিব। মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি বিয়লি দিল্লীত সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰে। জাকীৰ নায়কৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে ভাৰতীয় ন্যায় ব্যৱস্থাৰ পৰা পলায়ন কৰা এজন লোকে পাকিস্তানত উষ্ম আদৰণি লাভ কৰাত ভাৰত আচৰিত হোৱা নাই। তেওঁ এই আচৰণক গৰিহণাযোগ্য তথা হতাশাজনক আখ্যা দিয়ে।

০০০

উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত আজি পুৱতিনিশা ট্ৰাক আৰু ট্ৰেক্টৰ ট্ৰলীৰ মাজত সংঘটিত পথ দুৰ্ঘটনাত ১০ জন লোক নিহত হোৱাৰ লগতে ৩ জন লোক আহত হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মিৰ্জাপুৰৰ দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে।

ইপিনে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰি ৰাজ্য চৰকাৰৰ তত্বাৱধানত স্থানীয় প্ৰশাসনে ভুক্তভোগীক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। আনহাতে মিৰ্জাপুৰৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেলেও গভীৰ শোক প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিৰ্জাপুৰ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলক দুইলাখ টকাৰ অনুগ্ৰহ ৰাশি প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। লগতে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজীৰ অধিনত আহতসকলক ৫০০০০ হাজাৰ টকা

প্ৰদান কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। আহত সকলক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ লগতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁলোকক উচিত চিকিৎসা প্ৰদানৰ নিৰ্দেশ দিয়ে।

০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিজৰ প্ৰথমখন খেলত ছফী ডিভাইন নেতৃত্বাধীন নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

আনহাতে, আজি বিয়লি অনুষ্ঠিত হোৱা আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১১৮ সংগ্ৰহ কৰে।

০০০

সমাপ্ত